**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-12-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ আছুৰাত শ্ৰীধৰমপুৰ তীৰ্থ্ৰ শ্ৰীমদ ৰাজচন্দ্ৰা আশ্ৰমৰ বাৰ্ষিক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে কাটাৰলৈ যাব।

৩। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি বাণিজ্য আৰু উদ্যোগ জগতৰ নেতাসকলৰ সৈতে প্ৰাক বাজেট পৰামৰ্শ বৈঠকত মিলিত হ'ব। **আৰু**

৪। মেলবৰ্ণত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ চতুৰ্থখন টেষ্টৰ আজি পঞ্চম দিনৰ খেল চলি আছে। ০০০০০০

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাট ভ্ৰমণ কৰিব। গুজৰাটৰ আছুৰাত শ্ৰীধৰমপুৰ তীৰ্থ্ৰ শ্ৰীমদ ৰাজচন্দ্ৰা আশ্ৰমৰ বাৰ্ষিক কাৰ্যসূচীত ভাগ লোৱাৰ উদ্দেশ্যে শ্ৰীশ্বাহ দিনজোৰা ভ্ৰমণসূচীৰে ৰাজ্যখনলৈ যাব। এই ভ্ৰমণৰ সময়ছোৱাত গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ সভাগ্ৰুহত মহামস্তকাভিষেক কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে কাটাৰলৈ যাব। এই ভ্ৰমণৰ সময়ত ড০ জয়শংকৰে কাটাৰৰ প্ৰধানমন্ত্ৰী আৰু বিদেশ মন্ত্ৰী শ্বেখ মহম্মদ বিন আব্দুল ৰহমান বিন জাছিম অল থানিক সাক্ষাৎ কৰিব। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা এটা বিবৃতি অনুসৰি তেওঁৰ এই ভ্ৰমণে ৰাজনৈতিক, বাণিজ্য, বিনিয়োগ, শক্তি, সুৰক্ষা, সাংস্কৃতিক আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি দ্বিপাক্ষিক সম্পৰ্ক আৰু পাৰস্পৰিক স্বাৰ্থ জড়িত অন্যান্য আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত উভয় পক্ষক পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীযোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত অসমৰ চাহ বাগানসমূহত এসময়ত গুৰুতৰ ৰূপ ধাৰণ কৰা মেলেৰীয়া ৰোগ সম্প্ৰতি স্বাস্থ্য বিভাগে নিয়ন্ত্ৰণলৈ আনিব পৰা বিষয়টোৰ শলাগ লয়। বিশেষকৈ যোৰহাট জিলাৰ চাহ বাগানসমূহৰ লোকসকলে সমূহীয়া প্ৰচেষ্টাত মেলেৰীয়া ৰোগ নিয়ন্ত্ৰণ কৰিবলৈ বহুখিনি সমৰ্থ হোৱাৰ বিষয়টো তেওঁ উল্লেখ কৰে। মেলেৰীয়া নিয়ন্ত্ৰণত সামাজিক মাধ্যমৰ বহুল প্ৰয়োগৰ প্ৰসংগ উত্থাপন কৰি শ্ৰীমোদীয়ে কয়, যে আকাশবাণীয়েও মেলেৰীয়া সন্দৰ্ভত নিয়মীয়াকৈ বাৰ্তা প্ৰচাৰত গুৰুত্ব দি আহিছে। একেদৰে সচেতনতা আৰু সংকল্পৰ জৰিয়তে দেশে কেঞ্চাৰৰ বিৰুদ্ধে চলাই থকা যুঁজতো বহু সাফল্য লাভ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে বিখ্যাত চিকিৎসা পত্ৰিকা **লানচেট**ত আয়ুষ্মান ভাৰত যোজনাৰ জৰিয়তে ভাৰতত কেঞ্চাৰ ধৰা পৰাৰ এমাহৰ ভিতৰতে চিকিৎসা আৰম্ভ কৰাটো সম্ভৱ হৈ উঠিছে বুলি উল্লেখ কৰা হৈছে। পূৰ্বে কেঞ্চাৰ ৰোগৰ চিকিৎসাৰ ব্যয় অধিক হোৱা বাবে বহু ৰোগী চিকিৎসাৰ বাবে আগবাঢ়ি আহিব নোৱাৰিছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে সম্প্ৰতি আয়ুষ্মান ভাৰত যোজনাৰ বাবে আজি এয়া সহজ হৈ উঠিছে। সজাগতা, সক্ৰিয়তা, আৰু সুবিধা প্ৰাপ্তিৰ আস্থা কেঞ্চাৰৰ বিৰুদ্ধে যুঁজখনৰ মূল মন্ত্ৰ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে সকলোকে এই যুঁজত নামি ৰোগীসকলক সহায় কৰিবলৈ আহ্বান জনায়।

মন কী বাতৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰীয়ে দেশৰ সংবিধানৰ গৌৰৱময় যাত্ৰাৰ উল্লেখ কৰে। অহা বছৰৰ ২৬ জানুৱাৰীত দেশত সংবিধান কাৰ্যকৰী হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হ'ব। আজিৰ অনুষ্ঠানত তেওঁ উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত ১৩ জানুৱাৰীৰ পৰা হ'বলগীয়া মহাকুম্ভ মেলাৰ বিষয়েও উল্লেখ কৰে।

০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি বাণিজ্য আৰু উদ্যোগ জগতৰ নেতাসকলৰ সৈতে প্ৰাক বাজেট পৰামৰ্শ বৈঠকত মিলিত হ'ব। এই বৈঠকৰ সময়ত উদ্যোগ খণ্ডৰ উৎপাদন বৃদ্ধিৰ সন্দৰ্ভত অধিক গুৰুত্ব দিয়া হ'ব।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২-৩ দিনত দিল্লীকে ধৰি উত্তৰ-পশ্চিম ভাৰতৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰো কেইবাখনো ৰাজ্যত ডাঠ কুঁৱলী পৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে। এটা বিবৃতিত বিভাগটোৱে কয়, যে অহা ২-৩ দিনত উত্তৰ-পশ্চিম ভাৰতত শীতপ্ৰৱাহৰ সম্ভাৱনাৰ কথাও প্ৰকাশ কৰিছে। ইয়াৰ উপৰি অহা ৫ দিনত উত্তৰ প্ৰদেশত ন্যূনতম তাপমাত্ৰা ৪ৰ পৰা ৬ ডিগ্ৰী ছেলছিয়াছলৈ হ্ৰাস হোৱাৰ লগতে অহা ৩ দিনত দিল্লী, পাঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড়, ৰাজস্থান আদি ৰাজ্যত ন্যূনতম তাপমাত্ৰা ৩ৰ পৰা ৪ ডিগ্ৰী ছেলছিয়াছলৈ হ্ৰাস হোৱাৰ সম্ভাৱনা আছে। অহা ২৪ ঘণ্টাত ন্যূনতম তাপমাত্ৰা সলনি হোৱাৰ কোনো সম্ভাৱনা নাই। অহা ৫ দিনত মধ্য ভাৰতত ন্যূনতম তাপমাত্ৰা ৩ৰ পৰা ৫ ডিগ্ৰী ছেলছিয়াছলৈ হ্ৰাস হ'ব পাৰে বুলি বিভাগটোৰ সূত্ৰই প্ৰকাশ কৰিছে। এই সময়ছোৱাত পাঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড় আৰু ৰাজস্থানত শীতপ্ৰৱাহৰ সম্ভাৱনা আছে।

০০০০

দক্ষিণ কোৰিয়াৰ চিউলৰ ২৯০ কিলোমিটাৰ দক্ষিণে মুৱান আন্তৰাষ্ট্ৰীয় বিমান বন্দৰত বেংককৰ পৰা যোৱা জেজু এয়াৰৰ এখন বিমান কালি পুৱা দুৰ্ঘটনাত পতিত হোৱাত বিমানখনত থকা ১৮১ গৰাকী আৰোহীৰ ভিতৰত ১৭৯ গৰাকীৰ মৃত্যু হয়। দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি চ'ই চেং মোকে এই ঘটনাৰ বাবে ৪ জানুৱাৰীলৈ ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে। বয়িং ৭৩৭-৮০০ বিমানখন মুৱান আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত অৱতৰণ কৰাৰ সময়ত কালি পুৱা এই ঘটনা সংঘটিত হয়।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে মুৱান আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত হোৱা এই শোকাৱহ বিমান দুৰ্ঘটনাৰ বাবে দুখ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত তেওঁ এই দুৰ্ঘটনাত নিহত হোৱা পৰিয়ালৰ লোকলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। এই কঠিন সময়ত তেওঁ দক্ষিণ কোৰিয়াৰ লোকসকলৰ সৈতে থকা বুলিও প্ৰকাশ কৰে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **দুৰ্যোগৰ ফলপ্ৰসূ প্ৰস্তুতি** সন্দৰ্ভত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সদস্য অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ছৈয়দ আতা হাছনাইনৰ সৈতে হোৱা এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত 011-2342 1050 আৰু 011 2331 4444 নম্বৰত ফোন কৰি গ্ৰাহকৰ অধিকাৰ আৰু দায়িত্ব সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেচটেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুবিধ পাৰিব।

০০০০০

**মুম্বাইৰ নৌসেনা শিশু বিদ্যালয়ৰ ১৭ বছৰীয়া ছাত্ৰী কাম্য কাৰ্তিকেয়ানে সাতখন মহাদেশৰ প্ৰতিখনতে সৰ্বোচ্চ শৃংগ আৰোহণ কৰা বিশ্বৰ সৰ্বকণিষ্ঠ মহিলা হিচাপে এই অভিলেখ গঢ়িছে। পৰ্বতাৰোহণৰ অসাধাৰণ কৃতিত্ব প্ৰদৰ্শন কৰি কাম্যাই আফ্ৰিকাৰ মাউণ্ট কিলিমাঞ্জাৰো, ইউৰোপৰ মাউণ্ট এলব্ৰাছ, অষ্ট্ৰেলিয়াৰ মাউণ্ট**

**কচচিউস্কো, দক্ষিণ আমেৰিকাৰ মাউণ্ট একনকাগুয়া, উত্তৰ আমেৰিকাৰ মাউণ্ট ডেনালি, এছিয়াৰ মাউণ্ট এভাৰেষ্ট আৰু এন্টাৰ্কটিকা আৰোহণ কৰিছে। এই সাফল্যৰ বাবে ভাৰতীয় নৌসেনাই কাম্য কাৰ্তিকেয়ানক অভিনন্দন জনাইছে।**

০০০০০

আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জিম্মী কাৰ্টাৰৰ কালি নিশা ১০০ বছৰ বয়সত জৰ্জিয়াৰ প্লেইনছত থকা নিজ বাসগৃহত মৃত্যু হয়। তেওঁ আছিল আটাইতকৈ বৰ্ষীয়ান আৰু ভাৰত ভ্ৰমণ কৰা তৃতীয়গৰাকী ৰাষ্ট্ৰপতি। প্ৰয়াত ৰাষ্ট্ৰপতিগৰাকী মেলেনোবা নামৰ চালৰ কৰ্কটৰোগত আক্ৰান্ত হৈছিল আৰু পাছলৈ এই ৰোগ বৃক্ক আৰু মগজুলৈ বিয়পি পৰিছিল। পাছলৈ তেওঁ চিকিৎসা বন্ধ কৰি ঘৰতে চিকিৎসকৰ পৰামৰ্শ অনুসৰি স্বাস্থ্যৰ যত্ন লৈ আছিল। আটলাণ্টাৰ কাৰ্টাৰ চেণ্টাৰে কালি তেওঁৰ মৃত্যু হোৱা বুলি ঘোষণা কৰিছে। প্ৰয়াত ৰাষ্ট্ৰপতিগৰাকীয়ে ডেম'ক্ৰেটিক দলৰ হৈ ১৯৭৭ৰ পৰা ১৯৮১ চনলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে সেৱা আগবঢ়াইছিল।

০০০০০

মেলবৰ্ণত অনুষ্ঠিত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট শৃংখলাৰ চতুৰ্থখন টেষ্টৰ আজি পঞ্চম দিনা ভাৰতে ৩৪০ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে ২৬ অভাৰত ২টা উইকেট হেৰুৱাই ৩৩ ৰাণ সংগ্ৰহ কৰিছে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি সংগ্ৰহ কৰা ২২৮ ৰাণৰ পৰা আজি দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰি ২৩৬ ৰাণতেই আটাইকেইটা উইকেট হেৰুৱায়। জছপ্ৰীত বুমৰাই ৫টা উইকেট দখল কৰে। অষ্ট্ৰেলিয়াৰ হৈ নাথান লিয়ন আৰু স্কট ব'লাণ্ডে অন্তিম উইকেটত ৬১ ৰাণ যোগ দিয়ে। পাঁচখনীয়া এই শৃংখলাত দুয়োটা দলে ১-১ সমতা স্থাপন কৰি আছে।

০০০০০

হায়দৰাবাদৰ জি এম চি বালাযোগী ষ্টেডিয়ামত অনুষ্ঠিত সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপৰ ছেমি ফাইনেলত কালি পশ্চিমবংগই যোৱাবাৰৰ বিজয়ী ছাৰ্ভিচেছক ৪-২ গলত পৰাস্ত কৰে। সন্তোষ ট্ৰফী খেলত পশ্চিমবংগই এইবাৰৰ সৈতে ৪৭ বাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে আৰু দলটোৱে ৩২ বাৰ ট্ৰফী লাভ কৰাৰ অভিলেখ গঢ়িছে। দ্বিতীয়খন ছেমি ফাইনেলত কেৰালাই মণিপুৰৰ বিৰুদ্ধে ৫-১ গলত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছে। অহা মঙলবাৰে ৭৮ সংখ্যক ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপত পশ্চিমবংগই কেৰালাৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০

জামছেদপুৰৰ জে আৰ ডি টাটা কমপ্লেক্সত অনুষ্ঠিত ইণ্ডিয়ান ছুপাৰ লীগৰ খেলত কালি নিশা জামছেদপুৰ ফুটবল ক্লাবে কেৰালা ব্লাষ্টাৰ্ছ ফুটবল ক্লাবক ১-০ গলত পৰাস্ত কৰে। খেলৰ দ্বিতীয়াৰ্থত প্ৰতীক চৌধুৰীৰ ষ্ট্ৰাইকে নিশ্চিত কৰে যে জামছেদপুৰ এফ চিয়ে কোচিৰ দলটোৰ বিৰুদ্ধে ৬ খন খেলৰ অপৰাজিত ধাৰা ভংগ কৰে। সেই অনুসৰি এই জয়ৰ ফলত মেন অৱ ষ্টিলে অষ্টম স্থানৰ পৰা চতুৰ্থ স্থানলৈ আগুৱাই এতিয়া ১২ খন মেচৰ পৰা ২১ পইণ্টৰ গৌৰৱ অৰ্জন কৰিছে। জামছেদপুৰ ফুটবল ক্লাবে ৪ জানুৱাৰীত বেংগালুৰু ফুটব ক্লাবৰ বিৰুদ্ধে খেলিব। কেৰালা ব্লাষ্টাৰ্ছ ফুটবল ক্লাবে অহা ৫ জানুৱাৰীত পাঞ্জাৱ ফুটবল ক্লাবৰ বিৰুদ্ধে খেলিব।

০০০০০

সমাপ্ত